# পৰিবাহিত

যাত্ৰীসকলে কাগজত গৃহযুদ্ধৰ শেহতীয়া খবৰ পঢ়িলে। দক্ষিণৰ প্ৰদেশবোৰত তুমুল আৰু আকস্মিক গৰিলাযুদ্ধ। অন্তৰ্কালীন সৈন্যবাহিনীৰ অধিনায়কৰ গাড়ীত হাতবোমা নিক্ষেপ। আৰু দুটা ডিভিজনৰ পশ্চাদপসৰণ। দক্ষিণত **৩৭**খন গাঁও বিদ্ৰোহী দলৰ দ্বাৰা ৰাতিৰ ভিতৰতে ভস্মীভূত। পৰ্বত এলাকাত ব্ৰিটিছ পেৰাট্ৰুপাৰৰ অৱতৰণ? ৰাষ্ট্ৰসংঘলৈ আবেদন। ফৰাচী টেলিভিছনৰ সন্মুখত পলায়মান ডিক্টেটৰৰ চাঞ্চল্যকৰ ঘোষণা। আন্তৰ্জাতিক ৰেডক্ৰছৰদ্বাৰা পুনৰ চিকিৎসক আৰু ঔষধ-পত্ৰ প্ৰেৰণ, ভয়াৱহ পৰিস্থিতি। যিকোনো মুহূৰ্ততে তৃতীয় মহাযুদ্ধ...

এটা প্ৰচণ্ড বিস্ফোৰণৰ আৱাজত যাত্ৰীসকল উচপ খাই উঠিল। এটা লম্বা, কৰ্কশ শব্দেৰে ড্ৰাইভাৰে ব্ৰে'ক টানিলে, প্ৰচণ্ড জোঁকাৰণি মাৰি বাছখন বৈ গ'ল, গাড়ীৰ কাঁচৰ সন্মুখত ধোঁৱাই ৰাস্তা ঢাকি পেলালে, আৰু তিনিখন মিলিটাৰীৰ ট্ৰাকে ৰাস্তা আবৰি ধৰিলে। বাৰুদৰ গোন্ধেৰে বাছৰ ভিতৰখন ভৰি পৰিল, আৰু মিলিটাৰীৰ ট্ৰাককেইখনৰপৰা ইউনিফৰ্ম পিন্ধা সৈনিকবোৰে ক্ষিপ্ৰগতিত জঁপিয়াই নামিব ধৰিলে, তেওঁলোকৰ আটাহবোৰ ডেকা ল'ৰা। তেওঁলোকৰ মাজৰ বলিষ্ঠ চেহাৰাৰ এজনে হাত জোঁকাৰি উত্তেজিতভাৱে তেওঁলোকক কিবা ক'ব ধৰিলে, তেওঁৰ ইউনিফৰ্মৰ চিনবোৰৰপৰা মই বুজিব পাৰিলোঁ যে তেওঁ এজন কেপ্টেইন।

ৰাস্তাৰ দুয়োপিনে জংঘল নাই, খোলা পথাৰ, দূৰত গাঁৱৰ সীমাৰেখা আৰু পাহাৰ। ইয়াত গৰিলা লুকাই থাকিব নোৱাৰে। এই বিস্ফোৰণ গৰিলাৰ বোমাৰপৰা হ'ব নোৱাৰে। সন্মুখৰ পাহাৰখন খহটা, আৰু এই ৰাস্তাৰে অনবৰত মিলিটাৰী অহা-যোৱা কৰি থাকে। এই পাহাৰখনতো গৰিলা লুকাই থকা সম্ভৱ নহয়। সম্ভৱ হ'লেও, লাভ কি? ৰাস্তাটোৰ কাষৰ বান্ধটোৰ ওপৰেৰে ৰেলৰ লাইন গৈছে, চহৰৰ লগত সংযুক্ত, আৰু প্ৰধান ৰাস্তাটোৰ মোৰত নতুন ৰেলৰ দলং এখন তৈয়াৰ হ'ব ধৰিছে। একমাত্ৰ সেই দলংখন বা ৰেলৰ লাইনটো উৰাই দিলে গৰিলাসকলৰ লাভ হ'ব পাৰে, কিন্তু তাৰ কাৰণে লুকাই থাকিবৰ সুবিধাৰ ঠাই এই পাহাৰখন নহয়। অৱশ্যে হয়তো এই ৰাস্তাটোকেই উৰাই দিয়াৰ মতলব থাকিব পাৰে সিহঁতৰ, যাৰ ফলত দুই মাইল দূৰৰ মিলিটাৰীৰ ঘাটিটো চহৰৰপৰা বিচ্ছিন্ন আৰু যোগাযোগহীন হৈ পৰিব। কিন্তু দিনদুপৰতে এই চেষ্টা কৰাটো আত্মহত্যাৰ সমান। গোটেই এলেকাৰ গৰিলা আন্দোলন ধৰা পৰি ছত্ৰাকাৰ হৈ পৰাৰ সম্ভাৱনা, আৰু ৰাস্তাটো বন্ধ হ'লেও কেইমাইলমান ঘূৰি সৈন্যবাহিনী চহৰলৈ যোৱাৰ অন্য ৰাস্তা আছে। হয়তো এইটো হ'ব পাৰে যে সিহঁতে এই ৰাস্তাটো বন্ধ কৰি মিলিটাৰীৰ ঘাটিৰ সিপিনে থকা টেলিফোন এক্সচেইঞ্জ আৰু ৰেডিঅ'ৰ প্ৰেৰক ষ্টেশ্যনটো আক্ৰমণ কৰাৰ চেষ্টাত আছে—

ধোঁৱাৰ পৰ্দাখন পাতল হৈ গৈছে, কিন্তু মিলিটাৰীৰ ট্ৰাক, মটৰগাড়ী, মালবাহী লৰী আৰু সৈনিকবোৰে সন্মুখৰ দৃশ্য ঢাকি পেলাইছে, আৰু তদুপৰি ৰাস্তাৰ দুয়ো কাষে ইতস্ততঃভাৱে পেলাই থোৱা ডাঙৰ-ডাঙৰ লোহাৰ পাইপ, তাৰে কিছুমান এটাৰ ওপৰত এটাকৈ স্তূপ কৰা—হয়তো বিদ্ৰোহী দলৰ বেৰিকেড। দেখিলোঁ, ৰাস্তাৰ দুয়োপিনে কোনোবাই খান্দি পেলাইছে, হয়তো তাত মাইন বা বুবি-ট্ৰেপ জাতীয় কিবা পুতিব পাৰি বা পুতি থোৱা আছিল। বাছৰ ভিতৰৰপৰা যাত্ৰীসকলে ত্ৰস্তভাৱে মূৰ উলিয়াই চাইছে, ঠিক বুজিব পৰা নাই। ড্ৰাইভাৰ নামি পৰিছে, কিন্তু বাছৰ ইঞ্জিন বন্ধ কৰা নাই। দূৰৰপৰা এটা মেঘগৰ্জনৰদৰে গুৰু-গম্ভীৰ শব্দ আহিছে, ধাৰণা হয় যেন পৰ্বতৰপৰা অসংখ্য সৰু-ডাঙৰ শিল ভাঙি বাগৰি পৰিছে। দেখিলোঁ, আমাৰ বাছখনৰ পিছপিনে অধৈৰ্য গাড়ীৰ শাৰী জমি উঠিছে, ৰ'দৰ পোহৰত গাড়ীৰ কাঁচবোৰ জিলিকি উঠিছে, ঘন-ঘন ভেঁপু বজাইছে। আমাৰ বাছখনৰ উইণ্ডস্ক্ৰীনখনো ৰ'দত জিলিকি উঠিছে। কাঁচখনৰ সোঁহাতৰ এটুকুৰা ভাঙি পৰিছে, আৰু কাঁচখনৰ গাত পাঁচটা সৰু-সৰু ফুটা, সহজে বুজিব পাৰি দ্ৰুতবেগী গুলি চলন্ত বাছখনৰ কাঁচ ভেদ কৰি ওলাই গৈছে।

আৰু ইতিমধ্যে তীব্ৰ ধাতব হুইচেলধ্বনিৰে বান্ধটোৰ ওপৰেৰে ট্ৰেইন এখন চহৰৰ পিনে উৰি যাব ধৰিছে, তাৰ আৱাজে কেইছেকেণ্ডমান অইন সকলো আৱাজ ডুবাই দিছে। তাৰ ডাববাবোৰত মানুহ ঠাহ খাই ধৰিছে, প্ৰচুৰ ক'লা ধোঁৱা ওলাইছে ইঞ্জিনৰপৰা, আৰু ডাব্বাবোৰৰ আগেৰে উৰি গৈছে। তাৰ মাজেৰেই দেখা যায়, আনকি ছোৱালী আৰু বুঢ়ী মানুহো কামৰাবোৰত আছে। আনকি ডাব্বাৰ হাতলবোৰত ওলমি-ওলমিও মানুহ গৈছে—

এই ছবি আমি বহু ঠাইত দেখিছোঁ, নিজৰ চকুৰে, খবৰ কাগজত, নিউজৰীলত—বোমাবিধ্বস্ত চহৰৰপৰা, বিপ্লৱ আৰু গৃহযুদ্ধ-বিদীৰ্ণ চহৰৰপৰা আবালবৃদ্ধবণিতা ভিৰেৰে ঠাহ খোৱা ট্ৰেইনেৰে প্ৰাণৰ ভয়ত মৰিয়া হৈ নিৰাপত্তালৈ পলাইছে। আৰু এই সন্ধিক্ষণত, মই ভাবিলোঁ, আচৰিত হ'বলগীয়া কি আছে যে দেশৰ যুৱকসকলে সৈন্যবাহিনীত যোগ দিছে, পঢ়া-শুনা এৰি, দলে-দলে—

আৰু এই সন্ধিক্ষণত মোৰ কি কৰিবলগীয়া আছে, মই কি কৰিব পাৰোঁ? মোৰ ধাৰণা হ'ল, এইটো অসম্ভৱ নহয় যে এই নাটকীয় মুহূৰ্তত অকস্মাৎ মইও মোৰ দৈনন্দিনতা আৰু একঘেঁয়ে বাছযাত্ৰীৰ পালা শেষ কৰি জনতাৰ মুখপাত্ৰলৈ, প্ৰথম পৃষ্ঠাৰ হেড্‌লাইনলৈ উত্তোলিত হ'লোঁ, মই ভ্ৰূকুঞ্চিত কৰিলোঁ, মই ভাবিলোঁ মই এতিয়াই নামিম আৰু ড্ৰাইভাৰৰ ওচৰলৈ গৈ ক'ম—

কিন্তু সন্মুখত ৰঙা পাগুৰি আৰু খাকী হাফপেণ্ট পিন্ধা মানুহ এজনে সেউজীয়া নিচান এখন জোঁকাৰিব ধৰিলে, ড্ৰাইভাৰ আহি আসনত বহিল আৰু গাড়ীবোৰ চলিব আৰম্ভ কৰিলে, চামে-চামে ৰাস্তা নিৰ্মাণত ব্যস্ত বনুৱা পাৰ হৈ গ'ল চকুৰ সন্মুখেৰে। মই এটা দীৰ্ঘ নিশ্বাস দমন কৰি পুনৰ কাগজখনত মন দিবৰ চেষ্টা কৰিলোঁ। পুনৰ দক্ষিণ আমেৰিকাৰ দঢ়ীয়া বিপ্লৱী নেতাজনৰ ছবিখনৰপৰা উত্তেজনা আহৰণৰ চেষ্টা কৰিলোঁ। কিন্তু গুৱাহাটী-জালুকবাৰীৰ ৰাস্তা বহলোৱা কামত ফুটোৱা বিস্ফোৰণৰ কাম এতিয়ালৈ শেষ হৈছে, আৰু আমাক যাবলৈ দিয়া হৈছে। এন-চি-চিৰ ডেকা কেডেটসকলক কঢ়িয়াই নিয়া মিলিটাৰীৰ ট্ৰাককেইখনে আমাক সৌজন্য সহকাৰে পাছ দিলে, আৰু পাণ্ডু-গুৱাহাটীৰ শ্বাটল্ ট্ৰেইনখন নেদেখা হৈ গ'ল। পিছপিনলৈ চাই দেখিলোঁ লোহাৰ পাইপবোৰৰ ওপৰত—যিবোৰক বেৰিকেড বুলি ভাবিছিলোঁ—ক'ৰবাৰপৰা গাঁৱলীয়া সৰু-সৰু ল'ৰা-ছোৱালী ওলাই খেলিব আৰম্ভ কৰি দিছে। দঢ়ীয়া বিপ্লৱী নেতাজনৰ ছবিখন এতিয়া উদ্ভট যেন লাগিছে, বেখাপ্পা, আৰু এই ভাবটো কটাবলৈ লৰালৰিকৈ বিচাৰিলোঁ এই গৃহযুদ্ধৰ বিষয়ে আমাৰ কোনো নেতাই কিবা বিবৃতি দিছে নেকি (ধৰা, এই ৰক্তপাতৰ পৰিৱৰ্তে ভূদানৰ প্ৰস্তাৱ কৰি, বা তেনেকুৱা কিবা)—এটা উদ্ভট কথাই দুটা উদ্ভট কথাক ভাৰসাম্যলৈ আনিব, বিষে বিষক্ষয়। যি হওক, গুৱাহাটী-জালুকবাৰীৰ ৰাস্তাত দৈনন্দিন বাছ-ভ্ৰমণ ইমান এটা একঘেঁয়ে অভিজ্ঞতা যে, পুৰণি অস্থিচৰ্মসাৰ বাছখনক ধন্যবাদ আমাৰ কল্পনা শক্তিৰ ইন্ধন যোগোৱা কাৰণে, তাৰ উইণ্ডস্ক্ৰীনৰ কাঁচৰ সৰু-সৰু ফুটা, যিবোৰ দেখি সহজে বুজিব পাৰি যে দ্ৰুতবেগী গুলি বিপ্লৱ-বিদীৰ্ণ পৰিৱেশৰ মাজেৰে ধাৱমান বাছখনৰ কাঁচ ভেদ কৰি ওলাই গৈছে।